# 2019

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখা : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ 'ধোঁৱা খোৱা' গল্পটো বেজবৰুৱাৰ কোনখন গল্প-পুথিত সন্নিৱিষ্ট হৈছে?

(খ) প্ৰথম অসমীয়া চুটিগল্পটো ক'ত প্ৰকাশিত হৈছিল?

(গ) 'আবাহন' কাকতৰ প্ৰতিষ্ঠাতা কোন?

(ঘ) 'মালা' কোনজন গল্পকাৰৰ গল্পসংকলন?

(ঙ) ৰামধেনু যুগৰ এজন গল্পকাৰৰ নাম লিখা।

(চ) "বেমাৰীৰ চিকিৎসা আগ, তাৰ পিছতহে ডাক্তৰৰ কথা।" কথাষাৰ কোনে কৈছিল?

(ছ) 'নিৰ্মল ভকত' উপন্যাসখনত টেনিছনৰ কোনখন উপন্যাসৰ ছাঁ পৰিছে?

(জ) 'ডাক্তৰ' গল্পৰ ডাক্তৰ চলিহাৰ সম্পূৰ্ণ নামটো কি?

(ঝ) ৰজনীকান্ত বৰদলৈৰ প্ৰথম উপন্যাসখনৰ নাম কি?

(ঞ) নিৰ্মল ভকতে জন্মলাভ কৰা গাঁওখনৰ নাম কি আছিল?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) "আপুনি আমাৰ ধৰ্মৰ বিষয়ে বহুত জানে।" 'অৱগাহন' গল্পত এই কথাষাৰ কোনে, কাক কৈছিল?

(খ) "তুমি কি নিবা কোৱা? মোক লাগে নে এই সম্পত্তি লাগে?" কথাষাৰ 'ভাগবাটোৱাৰা' গল্পত কোনে, কাক উদ্দেশ্য কৰি কৈছিল?

(গ) 'নিৰ্মল ভকত' উপন্যাসত উল্লেখ কৰা দুজন ঐতিহাসিক ব্যক্তিৰ নাম উল্লেখ কৰা।

(ঘ) 'নিৰ্মল ভকত' কোন চনত প্ৰকাশ পাইছিল? উপন্যাসখনৰ নায়িকা ৰূপহীৰ দেউতাকৰ নাম কি?

(ঙ) নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ দুখন গল্প-পুথিৰ নাম লিখা।

৩। চমু উত্তৰ লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) অসমীয়া চুটিগল্পৰ জন্ম আৰু বিকাশত আলোচনীৰ ভূমিকা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) ধোঁৱা খোৱাৰ অভ্যাসে ৰামেশ্বৰৰ জীৱনলৈ কেনে দুৰ্গতি মাতি আনিছিল, চমুৱাই লিখা।





(গ) 'ভাগবাটোৱাৰা' গল্পৰ হেমন্ত চৰিত্ৰটোৰ বিশ্লেষণ কৰা।

(ঘ) 'অৱগাহন' গল্পটোৰ নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঙ) 'ডাক্তৰ' গল্পৰ ডাক্তৰ চলিহাৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(চ) ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ পাঁচটা সাধাৰণ বৈশিষ্ট্য উল্লেখ কৰা।

৪। (ক) 'ধোঁৱা খোৱা' গল্পটো চুটিগল্প হিচাপে বিচাৰ কৰা। ১০

*অথবা*

নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ 'ভাগবাটোৱাৰা' গল্পৰ মাজেৰে সমাজৰ কোনবোৰ দিশৰ প্ৰতিফলন ঘটিছে, আলোচনা কৰা।

(খ) 'অৱগাহন' গল্পৰ প্ৰধান চৰিত্ৰটো বিশ্লেষণ কৰি দেখুওৱা। ১০

*অথবা*

"আচৰিত হ'বলগীয়া কামো ডাক্তৰ চলিহাই কৰিলে।" ডাক্তৰ চলিহাই কি আচৰিত হ'বলগীয়া কাম কৰিছিল, বুজাই লিখা।

(গ) 'নিৰ্মল ভকত' উপন্যাসৰ নায়ক চৰিত্ৰটো বিশ্লেষণ কৰা। ১০

*অথবা*

ৰজনীকান্ত বৰদলৈৰ 'নিৰ্মল ভকত' উপন্যাসৰ পটভূমি বিচাৰ কৰি উপন্যাসখনত মানৰ আক্ৰমণৰ সময়ৰ কি কি কথা দাঙি ধৰা হৈছে, আলোচনা কৰা।

৫। তলত উল্লেখ কৰা যি কোনো এটা বিষয়লৈ এখনি ৰচনা লিখা : ১৫

(ক) নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

(খ) ছাত্ৰ আৰু ৰাজনীতি

(গ) অসমৰ প্ৰাকৃতিক সম্পদ

(ঘ) মাদক দ্ৰব্য আৰু সমাজত ইয়াৰ কু-প্ৰভাৱ

★★★